**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-05-2026
**Time:** 1340 Hrs

***Assamese Midday Bulletin***
HEADLINES
0000000

১। সৰ্বোচ্চ ন্যায়ালয়ে ভোটগণনা পৰ্যবেক্ষক হিচাপে অকল কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ কৰ্মচাৰীক নিযুক্তি দিয়াৰ বাবে নিৰ্বাচন আয়োগে লোৱা সিদ্ধান্তত হস্তক্ষেপ কৰিবলৈ অস্বীকাৰ কৰিছে।

২। পশ্চিমবঙ্গৰ দক্ষিণ ২৪ পৰগনা জিলাৰ দুটা বিধান সভা সমষ্টিৰ ১৫ টা ভোট কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ চলি আছে।

৩। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ২০২৬-২৭ বৰ্ষৰ বাবে চাৰিখন সংসদীয় কমিটিৰ পুনৰ্গঠন কৰিছে।

৪। কেন্দ্ৰীয় চৰকাৰে জনসাধাৰণৰ বাবে তাৎক্ষণিক বিপৰ্যয় সতৰ্কতা সেৱাৰ বাবে থলুৱা প্ৰযুক্তি ব্যৱহাৰ কৰি মোবাইল প্ৰচাৰ ব্যৱস্থা আৰম্ভ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

সৰ্বোচ্চ ন্যায়ালয়ে ভোটগণনা পৰ্যবেক্ষক হিচাপে অকল কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ কৰ্মচাৰীক নিযুক্তি দিয়াৰ বাবে নিৰ্বাচন আয়োগে লোৱা সিদ্ধান্তৰ হস্তক্ষেপ কৰিবলৈ অস্বীকাৰ কৰিছে। ন্যায়াধীশ পি এছ নৰসিম্হা আৰু ন্যায়াধীশ জয়মাল্য বাগচিক লৈ গঠিত এখন বিচাৰপীঠে আজি আয়োগৰ নীতি-নিৰ্দেশনা কঠোৰভাৱে অনুসৰণ কৰা উচিত বুলি ৰায় দিয়ে। এই ৰায় আয়োগৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হোৱা তৃণমূল কংগ্ৰেছৰ বাবে মোক্ষম আঘাতৰূপে পৰিগণিত হৈছে। শুনানী কালত ন্যায়াধীশ বাগচিয়ে কয়, যে বিষয়াসকলৰ বাছনিৰ বিষয়টো নিৰ্বাচন আয়োগৰ আওতাৰ অধীনত তেওঁ কয় যে প্ৰতিখন গণনা মেজত ইতিমধ্যে এজেণ্ট আৰু পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। আয়োগৰ হৈ ওকালতি কৰা অধিবক্তাগৰাকীয়ে লগতে ৰিটাৰ্ণিং বিষয়াসকল ৰাজ্য চৰকাৰৰ অধীনৰ কৰ্মচাৰী আৰু তেওঁলোক অন্য বিষয়াৰ নিযুক্তিৰ বাবে দায়বদ্ধ। শুনানিৰ সময়ত জ্যেষ্ঠ অধিবক্তা কপিল চিবালে ভোটগণনা প্ৰক্ৰিয়াত স্বচ্ছতাৰ খাতিৰত চিচি টিভিৰ ফুটেজ

সংৰক্ষণ কৰিবলৈ আহ্বান জনায়। ইয়াৰ উত্তৰত আয়োগে এনে ফুটেজ ৪৫ দিনলৈ সংৰক্ষণ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

উচ্চতম ন্যায়ালয়ে ইয়াৰ চূড়ান্ত ৰায়ত নিৰ্বাচন আয়োগৰ পৰিপত্ৰ আখৰে আখৰে ৰূপায়ণ কৰা উচিত বুলি পুনৰ উল্লেখ কৰে।

0000000

পশ্চিমবঙ্গৰ দক্ষিণ ২৪ পৰগনা জিলাৰ দুটা বিধান সভা সমষ্টিৰ ১৫ টা ভোট কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ চলি আছে। দিনৰ ১১ বজা পৰ্য্যন্ত ভোট কেন্দ্ৰকেইটাত সামগ্ৰিকভাৱে প্ৰায় ৩৭ শতাংশ ভোটদান হৈছে। মাগ্ৰাহাট পশ্চিম সমষ্টিৰ ১১ টা আৰু ডায়মণ্ড হাৰ্বাৰৰ চাৰিটা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ কৰা হৈছে। তথ্য অনুসৰি, ১১ বজালৈকে মাগ্ৰাহাট পশ্চিম সমষ্টিত ৩৮ দশমিক ২ শতাংশ আৰু ডায়মণ্ড হাৰ্বাৰ সমষ্টিত ৩৫ দশমিক ৯-২ শতাংশ ভোটদান হৈছে। এই কেন্দ্ৰকেইটাত ২৯ এপ্ৰিলত হোৱা ভোটগ্ৰহণত কিছু খেলিমেলি হোৱাৰ অভিযোগ পোৱাৰ পাছতে নিৰ্বাচন আয়োগে পুনৰ ভোটগ্ৰহণৰ নিৰ্দেশ দিয়ে।

ভোট কেন্দ্ৰকেইটাত পুৱা ৭ বজাত ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হয় আৰু সন্ধিয়া ৬ বজালৈকে এই প্ৰক্ৰিয়া অব্যাহত থাকিব। ভোটকেন্দ্ৰকেইটাত পুৱা ৯ বজালৈকে ১৬ দশমিক ২-৩ শতাংশ ভোটদান হোৱাৰ খবৰ পোৱা গৈছে। প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, ভোটগ্ৰহণ প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে চলি আছে আৰু কোনো ঠাইৰ পৰা হিংসা বা অপ্ৰীতিকৰ ঘটনাৰ বাতৰি পোৱা হোৱা নাই। পশ্চিমবঙ্গত ২৩ আৰু ২৯ এপ্ৰিলত দুটা পৰ্য্যায়ত ভোটগ্ৰহণ কৰা হৈছিল। অহা ৪ মে'ত ভোটগণনা কৰা হ'ব।

0000000

পঞ্জাৱ আৰক্ষীয়ে ৰাজ্যসভাৰ সাংসদ সন্দীপ পাঠকৰ বিৰুদ্ধে জামিন বিহীন ধাৰাৰ অধীনত এজাহাৰ দাখিল কৰিছে। সাংসদগৰাকীয়ে অলপতে আন ছগৰাকী সাসংদৰ সৈতে আম আদমী পাৰ্টী এৰি বিজেপিত যোগদান কৰিছিল। এটা সূত্ৰই প্ৰকাশ কৰা অনুসৰি, ৰাজ্যখনৰ দুখন জিলাত সাংসদ পাঠকৰ বিৰুদ্ধে দুখন এজাহাৰ দাখিল কৰা হৈছে। অৱশ্যে, জিলা দুখনৰ নাম চৰকাৰীভাৱে ঘোষণা কৰা হোৱা নাই।

0000000

লোকপিয়ল ২০২৭ৰ প্ৰথম পৰ্যায়ৰ অধীনত অন্ধ্ৰপ্ৰদেশ, অৰুণাচল প্ৰদেশ, হাৰিয়ানা, চণ্ডিগড়, মধ্যপ্ৰদেশ আৰু চত্তিশগড়ত বাসগৃহৰ তালিকা প্ৰস্তুত আৰু গৃহ গণনা আৰম্ভ হৈছে। এই ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত স্বগণনাৰ ১৫ দিনৰ সময়সীমা সম্পূৰ্ণ হোৱাৰ পাছত গৃহ গণনা আৰম্ভ হৈছে। গৃহমন্ত্ৰালয়ে প্ৰকাশ কৰা মতে অহা ৩০ মে'লৈ এই প্ৰক্ৰিয়া চলিব আৰু এই সময়ছোৱাত প্ৰশিক্ষিত গণনাকাৰীসকলে ঘৰে ঘৰে গৈ তথ্য সংগ্ৰহ কৰিব। ইপিনে লোকপিয়ল ২০২৭ৰ অধীনত দিল্লী পৌৰ নিগমৰ এলেকা, ৰাজস্থান, মহাৰাষ্ট্ৰ, মেঘালয় আৰু ঝাৰখণ্ডতো স্বগণনাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই ৰাজ্যসমূহত অহা ১৫ মে'লৈ স্বগণনাৰ অনলাইন সুবিধা থাকিব আৰু ইয়াৰ পাছত ১৬ মে'ৰ পৰা ১৪ জুনলৈ গৃহ তালিকাভুক্ত তথা গৃহ গণনাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। বিহাৰত আজি স্ব-গণনাৰ সামৰণি পৰিব। অসমত অহা ২ আগষ্টৰ পৰা দুটা পৰ্যায়ত লোকপিয়ল আৰম্ভ হ'ব। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জনগণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এই প্ৰক্ৰিয়াত ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। ২০২৭ৰ লোকপিয়লত প্ৰথমবাৰৰ বাবে অন্তৰ্ভুক্ত কৰা স্ব-গণনাৰ বিকল্প ব্যৱস্থাত জনসাধাৰণৰ পৰা উৎসাহজনক সঁহাৰি পোৱা গৈছে।

০০০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ২০২৬-২৭ বৰ্ষৰ বাবে চাৰিখন সংসদীয় কমিটিৰ পুনৰ্গঠন কৰিছে। ইয়াৰে ৩০ গৰাকী সদস্য থকা প্ৰাক্-কলন কমিটিৰ অধ্যক্ষ হিচাপে সাংসদ ড০ সঞ্জয় জয়ছোৱালক দায়িত্ব দিয়া হৈছে। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান কমিটিত লোকসভাৰ ১৫ গৰাকী আৰু ৰাজ্যসভাৰ ৭ গৰাকী সাংসদ সদস্য হিচাপে থাকিব। বিজেপি সাংসদ বৈজয়ন্ত পাণ্ডাই এইখন কমিটিক নেতৃত্ব দিব। অধ্যক্ষ বিৰলাই লোকসভাৰ কংগ্ৰেছ সাংসদ কে চি বেণুগোপালক ৰাজহুৱা হিচাপ কমিটিৰ অধ্যক্ষৰ দায়িত্ব দিছে। এই কমিটিত লোকসভাৰ ১৫ গৰাকী আৰু ৰাজ্যসভাৰ ৭ গৰাকী সাংসদ সদস্য হিচাপে থাকিব। অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি কল্যাণ কমিটিৰ মুৰব্বী হিচাপে লোকসভাৰ বিজেপি সাংসদ ফাগান সিং কুলস্তেক দায়িত্ব দিয়া হৈছে। লোকসভাৰ ২০ গৰাকী আৰু ৰাজ্যসভাৰ ১০ গৰাকী সাংসদক সদস্য হিচাপে লৈ এইখন কমিটি গঠন কৰা হৈছে। আটাইকেইখন কমিটিৰে কাৰ্য্যকাল চলিত বছৰৰ ১ এপ্ৰিলত আৰম্ভ হৈছে আৰু অহা বছৰৰ ৩০ এপ্ৰিলত অন্ত পৰিব।

০০০০০০০

বাৰিষাৰ পূৰ্বে বানৰ আগজাননী সম্পৰ্কে আলোচনা কৰাৰ বাবে আজি কাঠমাণ্ডুত ভাৰত আৰু নেপালৰ মাজত এখন বৈঠকত অনুষ্ঠিত হ'ব। বৈঠকত বিহাৰৰ জলসম্পদ বিভাগৰ প্ৰধান সচিব সন্তোষ কুমাৰ মলে ভাৰতীয় প্ৰতিনিধি দলক নেতৃত্ব দিব। ইয়াৰ পূৰ্বে কাঠমাণ্ডুত ৩০ এপ্ৰিলৰ পৰা পহিলা মে'লৈ কোশী আৰু গণ্ডক প্ৰকল্প সন্দৰ্ভত অনুষ্ঠিত ভাৰত-নেপাল যুটীয়া কমিটীৰ একাদশ বৈঠক দুয়োপক্ষই জল ব্যৱস্থাপনা আৰু আন্তঃগাঁথনি সন্দৰ্ভত ভালেমান দিশত সহমতত উপনীত হৈছিল। সেই অনুসৰি নেপালে পশ্চিম কোশীত মূল খালৰ নেপালৰ ফালৰ ৩৫ কিলোমিটাৰ দীঘলীয়া অংশৰ লগতে কোশী, গণ্ডক বান্ধ আৰু পশ্চিম দিশৰ মূল খালৰ কিছুমান ঠাই দখলমুক্ত কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। ইয়াৰ উপৰি পশ্চিম কোশীৰ মূল খালৰ পাৰত স্থাপন কৰা বিদ্যুতৰ খুটা স্থানান্তৰ কৰিবলৈ অনুমোদন দিয়া হৈছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে জনসাধাৰণৰ বাবে তাৎক্ষণিক বিপৰ্যয় সতৰ্কতা সেৱাৰ বাবে থলুৱা প্ৰযুক্তি ব্যৱহাৰ কৰি মোবাইল প্ৰচাৰ ব্যৱস্থা আৰম্ভ কৰিছে। এই ব্যৱস্থাৰ সম্পৰীক্ষাৰ অংশ হিচাপে আজি দুপৰীয়ালৈ নাগৰিকসকলৰ মোবাইল ফোনলৈ চাইৰেণ সতৰ্কতাৰ সৈতে জাননী প্ৰেৰণ কৰা হয়। সম্পৰীক্ষাৰ সময়ত মোবাইললৈ অহা বাৰ্তাত সুৰক্ষিত ৰাষ্ট্ৰ আৰু এই বাৰ্তা লাভ কৰাৰ পাছত কোনো ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন নাই বুলি উল্লেখ কৰা হৈছে।

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই সামাজিক মাধ্যমযোগে কয় যে কোনো লোকে মোবাইল যোগে এনে ধৰণৰ বাৰ্তা লাভ কৰি ভীতিগ্ৰস্ত হোৱাৰ প্ৰয়োজন নাই, কিয়নো নতুন মোবাইল আধাৰিত বিপৰ্যয় যোগাযোগ প্ৰণালীৰ পৰা এই বাৰ্তা প্ৰেৰণ কৰা হৈছে। তেওঁ কয় যে দূৰসংযোগ বিভাগে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত মোবাইল প্ৰচাৰ প্ৰযুক্তি ব্যৱহাৰ কৰি এই প্ৰণালী বিকশাই তুলিছে। ভৱিষ্যতে এই ব্যৱস্থাৰ জৰিয়তে কোনো বিপৰ্যয় বা জৰুৰীকালীন অৱস্থাত স্থান অনুযায়ী স্থানীয় ভাষাত তাৎক্ষণিক সতৰ্কতা প্ৰেৰণ কৰিব পৰা যাব বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে নাগৰিকসকলৰ সুৰক্ষা অধিক সুদৃঢ় কৰা আৰু দুৰ্যোগৰ সময়ত ক্ষীপ্ৰতাৰে তথ্য প্ৰেৰণৰ দিশৰ পৰা এই উদ্যম গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

0000000

দুদিন ধৰি হোৱা বৰষুণ আৰু তাপমান নিম্নগামী হোৱাৰ পাছত আজি পুৱাৰে পৰা ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলত তাপমান ঊৰ্ধগামী হোৱা পৰিলক্ষিত হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা দুদিনৰ বাবে দিল্লীত হালধীয়া সতৰ্কতা জাৰি কৰি বৰষুণ আৰু শীতল বতাহ হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে। মহানগৰখনৰ ছ্ফদৰজঙত থকা মুখ্য বতৰ বিজ্ঞান কেন্দ্ৰই দিল্লীত ২৫ দশমিক ৯ ডিগ্ৰী ছেলছিয়াছ্ তাপমান ৰেকৰ্ড কৰিছে। এই তাপমান কালিতকৈ ৩ দশমিক ১ ডিগ্ৰী অধিক আৰু সাধাৰণ তাপমানতকৈ ১ দশমিক ২ ডিগ্ৰী অধিক। বতৰ বিজ্ঞান বিভাগে দিয়া আগজাননী অনুসৰি, কাইলৈ দিল্লীত প্ৰতি ঘণ্টাত ৩০ৰ পৰা ৫০ কিলোমিটাৰ বেগত বতাহ্ বলাৰ লগতে পাতলীয়া বৰষুণ হ'ব। একেধৰণৰ বতৰ সোমবাৰেও অব্যাহত থাকিব। দে

0000000

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কৈছে, যে ইউৰোপীয়ান ইউনিয়নৰ পৰা আমদানি কৰা সৰু গাড়ী আৰু ট্ৰাকত কৰ ২৫ শতাংশ বৃদ্ধি কৰা হ'ব। তেওঁ অভিযোগ কৰে যে, ইউৰোপীয়ান ইউনিয়ন এখন বাণিজ্য চুক্তি মানি চলাত ব্যৰ্থ হৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে ইউৰোপৰ গাড়ী নিৰ্মাণকাৰী সংস্থাসমূহক আমেৰিকা যুক্তৰাষ্ট্ৰত উৎপাদন কৰিবলৈ আহ্বান জনায়। প্ৰায় এবছৰ পূৰ্বে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপীয়ান ইউনিয়নৰ মাজত এখন বাণিজ্য চুক্তি হৈছিল। এই চুক্তি অনুসৰি, ইউৰোপৰ বেছিভাগ সামগ্ৰীতে সৰ্বাধিক ১৫ শতাংশ কৰ আৰোপ কৰা হৈছিল। ইউৰোপীয়ান আয়োগে কয়, যে তেওঁলোকে নিজৰ প্ৰতিশ্ৰুতি পালন কৰিছে আৰু এতিয়া ৱাছিংটনৰ পৰা স্পষ্টীকৰণ বিচাৰিছে।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ডেলহি কেপিটেলছে ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰে।

0000000

সমাপ্ত